# বিশ্ব হিন্দী দিৱস, ২০১৪

জানুৱাৰী ০৯,২০১৪

কেন্দ্ৰীয় বহি:পৰিক্ৰমা মন্ত্ৰনালয়ে নতুন দিল্লীৰ বেৰ চৰাই এলেকাত থকা ফৰেইন ৰ্ছাভিছ ইনষ্টিটিউত ১০ জানুৱাৰী ২০১৪ তাৰিখে  সন্ধিয়া ৫ বজাত বিশ্ব হিন্দী দিৱস উ্দযাপন কৰিব ।এই অনুষ্ঠানত সন্মানীয় মুখ্য অতিথি হব সন্মানীয় শ্ৰী নভটেজ শৰনা ।

যি সকল বিদেশৰ ছাত্ৰ–ছাত্ৰীয়ে হিন্দী পঢ়ি আছে তেওঁলোকৰ বাবে হিন্দী ৰচনাৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে ।প্ৰতিযোগিতাত জয়ী হোৱা সকলক্ নগদ ধন আৰু মুল্যৱান গ্ৰন্থ পুৰস্কাৰ হিচাপে দিয়া হব ।অনুষ্ঠানত উপস্থিত থকা সকলক বিদেশী ছাত্ৰ–ছাত্ৰী সকলে হিন্দীতে সম্বোধন কৰিব । হিন্দী দিৱস উপলক্ষ্যে সেইদিনা অনুষ্ঠানত এক চমু কবি সন্মিলনৰো আয়োজন কৰা হৈছে ।আগ্ৰাৰ কেন্দ্ৰীয় হিন্দী সংস্থানৰ বিদেশী ছাত্ৰ–ছাত্ৰী সকলে অনুষ্ঠানত সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰিব ।

ভাৰতীয় পদ সমুহ আৰু অভিযান সমুহৰ জৰিয়তে বিদেশত হিন্দী ভাষাৰ প্ৰচাৰনৰ বিষয়ত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰনালয় প্ৰতিজ্ঞাবদ্ধ ।প্ৰথম থন বিশ্ব হিন্দী সন্মিলন ২০০৬ চনৰ ১০ জানুৱাৰী তাৰিখে নাগপুৰত অনুষ্ঠিত কৰা হৈছিল ।তেতিয়াৰ পৰা প্ৰতি বছৰে ১০ জানুৱাৰী দিনটো বিশ্ব হিন্দী দিৱস হিচাপে পালন হৈ আহিছে ।

নতুন দিল্লী

জানুৱাৰী ৯,২০১৪